“যি ব্যক্তিয়ে মোৰ এই উযুৰ দৰে উযু কৰিব, আৰু তাৰ পিছত দুই ৰাক‘আত চালাত আদায় কৰিব, য’ত তেওঁ পৃথিৱীৰ প্ৰতি কোনো ধৰণৰ মনোযোগ নিদিব, তাৰ পূর্বৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হ’ব”।

উছমানৰ সঙ্গী হুমৰানৰ পৰা বৰ্ণিত। তেওঁ ‘উছমান ইবনে আফফান ৰাদ্বিয়াল্লাহু ‘আনহুক দেখিছে যে, তেওঁ পানী আনিবলৈ আদেশ দিলে আৰু সেই পানী তেওঁ দুয়ো হাতৰ তালুত তিনিবাৰ ঢালি দুয়ো হাত ধুই ল’লে। ইয়াৰ পিছত তেওঁ সোঁহাত পাত্রৰ ভিতৰত সোমাই দিলে। ইয়াৰ পিছত কুলি কৰিলে আৰু নাকত পানী দি নাক পৰিস্কাৰ কৰিলে। ইয়াৰ পিছত তেওঁ তিনিবাৰ মুখমণ্ডল ধুলে আৰু দুয়োহাত কিলাকুটিলৈকে তিনিবাৰ ধুলে। ইয়াৰ পিছত মূৰ মছেহ কৰিলে। তাৰ পিছত দুই ভৰি সৰুগাঁঠিলৈকে তিনিবাৰ ধুলে। ইয়াৰ পিছত তেওঁ ক’লেঃ মই আল্লাহৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক মোৰ এই উযুৰ দৰে উযু কৰা দেখিছোঁ।
আৰু ক’লেঃ “যি ব্যক্তিয়ে মোৰ এই উযুৰ দৰে উযু কৰিব, আৰু তাৰ পিছত দুই ৰাক‘আত চালাত
আদায় কৰিব, য’ত তেওঁ পৃথিৱীৰ প্ৰতি কোনো ধৰণৰ মনোযোগ নিদিব, তাৰ পূর্বৰ
গুনাহসমূহ ক্ষমা কৰি দিয়া হ’ব”। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত উছমান ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যিদৰে অজু কৰিছিল সেইদৰে অজু কৰি দেখুৱাইছে। বিতংভাৱে স্পষ্ট কৰিবলৈ তেখেতে এটা পাত্ৰত পানী আনিবলৈ দিলে, ইয়াৰ পিছত তেখেতে দুয়ো হাতত তিনিবাৰ পানী ঢালি ল'লে, ইয়াৰ পিছত তেখেতে সোঁ হাত পানীৰ পাত্ৰত সোমোৱাই দিলে আৰু এচলু পানী লৈ মুখত দিলে আৰু সেই পানী মুখৰ ভিতৰত কিছু সময় ঘূৰাই কুলি কৰিলে। ইয়াৰ পিছত আৰু অলপ পানী লৈ নাকৰ ভিতৰত দিলে, আৰু সেই পানী উলিয়াই নাক পৰিস্কাৰ কৰিলে। ইয়াৰ পিছত তেখেতে তিনিবাৰ মুখমণ্ডল ধুই ল'লে। ইয়াৰ পিছত তেখেতে তিনিবাৰকৈ দুয়ো হাত কিলাকুটিলৈকে ধুই ল'লে। ইয়াৰ পিছত তেখেতে হাত পানীত তিয়াই সম্পূৰ্ণ মূৰ এবাৰ মছেহ কৰিলে। ইয়াৰ পিছত তেখেতে তিনিবাৰকৈ ভৰিৰ সৰুগাঁঠিলৈকে ধুই ল'লে। তেওঁ অজু সম্পূৰ্ণ কৰি লোকসকলক জনাই ক'লে যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক এইদৰেই অজু কৰা দেখিছে। লগতে তেওঁ লোকসকলক এই সুসংবাদ দিলে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে তেখেতৰ এই অজুৰ দৰে অজু কৰি বিনয় সহকাৰে আল্লাহৰ সন্মুখত উপস্থিত মনে দুই ৰাকাত নামাজ পঢ়িব, তেন্তে আল্লাহে এই পৰিপূৰ্ণ অজু আৰু নিৰ্ভেজাল নামাজৰ বিনিময়ত তাৰ পূৰ্বৱৰ্তী গুনাহসমূহ ক্ষমা কৰি দিব।

http://sunnah.global/hadeeth/as/show/3313